**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নংঃ ১২০/২০২০**

# ক'ৰ'ণা ভাইৰাছৰ পৰিপ্ৰেক্ষিতত ল'বলগীয়া ব্যৱস্থাৱলী পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৪ মাৰ্চঃ** বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰৰ লগতে ভাৰতবৰ্ষতো ক'ৰ'ণা ভাইৰাছ সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনত এই দিশত ল'বলগীয়া ব্যৱস্থাৰাজি সম্পৰ্কত আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পৌৰোহিত্যত এক বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বিমানকোঠ সমূহত যাত্ৰীসকলৰ নিৰীক্ষণ ব্যৱস্থাটো অধিক শক্তিশালী কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বৈঠকত ক'ৰ'ণা সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগে ল'বলগীয়া ব্যৱস্থাৰাজি সম্পৰ্কত বিতংভাৱে পৰ্যালোচনা কৰা হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব সমীৰ সিনহাক এই সন্দৰ্ভত সৃষ্টি হ'ব পৰা পৰিস্থিতি মোকাবিলা কৰিব পৰাকৈ স্বাস্থ্য বিভাগক যথোচিত পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়ালৈকে ৰাজ্যখনত ক'ৰ'ণা ভাইৰাছৰ সংক্ৰমণত কোনো লোক আক্ৰান্ত হোৱা নাই যদিও দেশৰ বিভিন্ন ৰাজ্যত ক'ৰ'ণা ভাইৰাছৰ দ্বাৰা লোক আক্ৰান্ত হোৱাৰ পৰিপ্ৰেক্ষিতত এই ক্ষেত্ৰত সকলো ধৰণৰ সতৰ্কতা অৱলম্বন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে এনে ধৰণৰ সংক্ৰমণ ৰোধ কৰিব পৰাকৈ স্বাস্থ্য বিভাগে সকলো পদক্ষেপ ল'ব পৰাকৈ প্ৰস্তুত হৈ থাকিবলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগক এই ক্ষেত্ৰত জনসচেতনতা সৃষ্টি কৰিবলৈ নিৰ্দেশ দিয়ে যাতে জনসাধাৰণে এই ৰোগৰ পৰা হাত সাৰিবলৈ স্বাস্থ্য বিভাগে দিয়া পৰামৰ্শ মানি চলিব পাৰে।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে ৰাজ্যৰ উন্নয়নমূলক কাম-কাজসমূহৰ পৰ্যালোচনা কৰে। বৈঠকত মুখ্যমন্ত্ৰীয়ে জনকল্যাণমূলক আঁচনিসমূহ শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ শীৰ্ষ বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে সকলো বিভাগকে ব্যৱহাৰিক প্ৰমাণপত্ৰ প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিয়ে যাতে কেন্দ্ৰলৈ ইয়াক প্ৰেৰণ কৰিব পৰা যায়।

আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্ত, গৃহ আৰু ৰাজনৈতিক বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ প্ৰধান সচিব ছায়েদিন আব্বাছী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব সমীৰ সিনহা, শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

**সুঃদঃ / পুঃডেঃ**
**১৪/০৩/২০২০**